# লোকমান্য বাল গংগাধৰ তিলকৰ গীতা ৰহস্য ঃ এক আলোকপাত

ৰশ্মিৰেখা সন্দিকৈ

লোকমান্য বাল গংগাধৰ তিলকৰ দৰ্শনৰ প্ৰতি অমূল্য অৱদান হ'ল 'গীতা ৰহস্য'। সাতশ শ্লোকেৰে সংস্কৃত ভাষাত পদ্যাকাৰে ৰচিত শ্ৰীমদ্ভাগৱত গীতা মহাভাৰতৰ ভীষ্ম পৰ্বৰ অন্তৰ্গত যাৰ ৰচক হ'ল মহৰ্ষি ব্যাসদেৱ। যথাৰ্থতে পাৰ্থিৱ জীৱনৰ অজ্ঞতাৰ পৰা মানৱক উদ্ধাৰ কৰাই গীতাৰ উদ্দেশ্য। তিলকে সম্পূৰ্ণ অনাসক্তিৰে গীতা অধ্যয়ন কৰি ইয়াৰ প্ৰত্যেকটো অধ্যায়ৰে বিশদ আলোচনা কৰিছে। তিলকৰ এই গীতাৰ দৰ্শন সম্পৰ্কে তলত আলোচনা কৰা হ'ল।

গীতাৰ প্ৰথম অধ্যায় 'অৰ্জুন-বিষাদযোগ'ত মোহগ্ৰস্ত অৰ্জুনৰ কাতৰ ভাৱ আৰু শোকাকুল বচনৰ বৰ্ণনা কৰা হৈছে। মহাবীৰ তৃতীয় পাণ্ডৱ অৰ্জুনে শত্ৰুপক্ষ কৌৰৱ সেনাক পৰ্যবেক্ষণ কৰি ভাবিলে যে তেওঁ যিসকলৰ লগত যুদ্ধ কৰিবলৈ প্ৰবৃত্ত হৈছিল, তেওঁলোক সকলো আত্মীয় আছিল। পলকতে অৰ্জুনৰ মন মোহাচ্ছন্ন হৈ বিষাদ আৰু দুৰ্ভাৱনাৰে পৰিপূৰ্ণ হল। ক্ষত্ৰিয় হিচাপে যুদ্ধ কৰা তেওঁৰ কৰ্তব্য, অথচ মনৰ দুৰ্বলতাই কৰ্তব্য পালনত বাধা দিলে। তেতিয়া তেওঁ আধ্যাত্মিক গুৰু শ্ৰীকৃষ্ণৰ শৰণাপন্ন হৈ সেই সমস্যাৰ সমাধান বিচাৰিলে। ভগৱান শ্ৰীকৃষ্ণই বুজনি স্বৰূপে অৰ্জুনৰ মাধ্যমেৰে সমগ্ৰ মানৱ জাতিক কৰ্তব্যৰ সম্পৰ্কে শিক্ষা প্ৰদান কৰিছে।

ভাগৱত গীতাৰ মুখ্য ভাগকেইটা হ'ল—কৰ্মযোগ, জ্ঞানযোগ আৰু ভক্তিযোগ। ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক বিপথগামীতাৰ পৰা উদ্ধাৰ কৰিবলৈ বুদ্ধি বা জ্ঞানক আত্মোপলব্ধিৰ এটা মাৰ্গ বুলি কৈছিল। সেয়েহে বহুতো পণ্ডিতে মত প্ৰকাশ কৰিলে যে গীতাত কৰ্মতকৈ জ্ঞানক অধিক প্ৰাধান্য দিয়া হৈছে। কিন্তু তিলকৰ মতে গীতাই কৰ্ম অনুমোদন কৰিছে। জ্ঞান বা ভক্তি মাৰ্গেৰে পৰমেশ্বৰৰ লগত মিলিত হোৱাত সক্ষম হ'লেও সেই সিদ্ধপুৰুষে কৰ্ম কৰিয়ে থাকিব লাগে। পৰিণামৰ প্ৰতি নিৰাসক্ত কৰ্মৰত যোগীক কৰ্মই বন্ধনত লিপ্ত কৰাব নোৱাৰে। তিলকৰ মতে এয়ে গীতাৰ শিক্ষা। গীতাত



পৰম পুৰুষ শ্ৰীকৃষ্ণই কৈছে—

"সন্যাসঃ কৰ্মযোগশ্চ নিঃশ্ৰেয়স কৰা বুভৌ।

তয়োস্ত কৰ্ম সং ন্যাস্যাৎ কৰ্মযোগো বিশিষ্যতে।।"

অৰ্থাৎ, কৰ্মৰ ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে কৰ্মৰ অনুষ্ঠান এই দুয়োটাই কল্যাণ কাৰক। কিন্তু এই দুয়োটাৰ ভিতৰত কৰ্মৰ ত্যাগতকৈ সেৱাৰ মনোভাৱেৰে কাম কৰাৰ আদৰ্শ অধিক ভাল।

বহুতো পণ্ডিতৰ মতে কৰ্মই মানুহক বন্ধনপাশত আৱদ্ধ কৰে। কিন্তু তিলকৰ মতে গীতাই তেনে কোনো কথা কোৱা নাই। মোক্ষলাভৰ কাৰণে কৰ্মও এটা মাৰ্গ বুলি স্বীকৃতি দিছে। তিলকে কৈছে যে, ব্যৱহাৰিক কৰ্মৰ ফলত আমাৰ যি আসক্তি হয়, তাক ইন্দ্ৰিয় দমনৰ দ্বাৰা আত্মজ্ঞান প্ৰাপ্তি হৈ সম্পূৰ্ণ সিদ্ধিলাভ কৰিবলৈ সক্ষম হয়।

তৃতীয় অধ্যায়ৰ আৰম্ভণিতে অৰ্জুনে শ্ৰীকৃষ্ণক সুধিছে—

"জায়সী চেৎ কৰ্মনস্তে মতা বুদ্ধি জনাৰ্দন।

তৎ কিং কৰ্মণি ঘোৰে মাং নিয়োজয়সি কেশৱ।।

ব্ৰামিশ্ৰেণেৰ বাক্যেন বুদ্ধিং মোহয়সীব মে।

তদেবাং বদ নিশ্চিত্য যেন শ্ৰেয়োহহমাপ্লুয়াৎ।"

অৰ্থাৎ, হে জনাৰ্দন, যদি তোমাৰ এই মতেই হয় যে কৰ্ম অপেক্ষা বুদ্ধিয়েই শ্ৰেষ্ঠ, তেন্তে হে কেশৱ ! মোক (যুদ্ধৰ) নিষ্ঠুৰ কৰ্মত কিয় লগাইছা? (দেখাত) সন্দিগ্ধ কথা কৈ তুমি মোৰ বুদ্ধিক ভ্ৰমত পেলাইছা। এই কাৰণে তুমি এনে এটা কথা নিশ্চিত কৰি মোক কোৱা, যাতে মোৰ শ্ৰেয় অৰ্থাৎ কল্যাণ প্ৰাপ্তি হয়।

এই প্ৰশ্নৰ উত্তৰত ভগৱান শ্ৰীকৃষ্ণই চতুৰ্থ অধ্যায়ত "কৰ্ম কোনেও ত্যাগ কৰিব নোৱাৰে" ইত্যাদি কাৰণ দৰ্শাই কৰ্মৰ সমৰ্থন কৰিছে।

আকৌ পঞ্চম অধ্যায়ৰ আৰম্ভণিতে অৰ্জুনে প্ৰশ্ন কৰিছে যে—

"সন্যাসং কৰ্মনাং কৃষ্ণ পুনৰ্যোগং চ শংসসি।

যচ্ছ্ৰেয় এতয়ো ৰেকং তন্ম ব্ৰুহি শুনিশ্চিতং।।"

অৰ্থাৎ, হে কৃষ্ণ। তুমি এবাৰ সন্যাসক আৰু এবাৰ কৰ্মসমূহৰ যোগক উত্তম বুলি কৈছা। এতিয়া নিশ্চয় কৰি মোক এটা মাৰ্গেই কোৱা, যি এই উভয়ৰ মাজত যথাৰ্থতে শ্ৰেয়, অৰ্থাৎ অধিক প্ৰশস্ত।

তাৰ উত্তৰত ভগৱানে কৈছে—

"নিয়তং কুৰুকৰ্ম ত্বং কৰ্মজ্যায়ো হ্যকৰ্মণঃ।

শৰীৰ যাত্ৰাপি চ তেন প্ৰসিদ্ধেদ কৰ্মনঃ।।"

অৰ্থাৎ, তোমাৰ কৰ্তব্যৰূপে যি কাম নিৰ্ধাৰিত কৰি দিয়া আছে তাক তুমি কৰি যোৱা। কাম নকৰাকৈ থকাতকৈ কাম কৰা বেছি ভাল আৰু কাম নকৰাকৈ থাকিলে তোমাৰ শৰীৰ ধাৰণ কৰি থকাটোৱেই সম্ভৱ নহ'ব।

গীতাৰ দ্বিতীয় আৰু তৃতীয় অধ্যায়ত সন্যাসযোগ আৰু কৰ্মযোগৰ বিস্তৃত বিৱৰণ পোৱা যায়। গীতাই এই দুই মাৰ্গক স্বতন্ত্ৰ আৰু দুয়োটা মাৰ্গৰ দ্বাৰা মোক্ষপ্ৰাপ্তি সম্ভৱ বুলি কোৱা হৈছে। কিন্তু কিছুসংখ্যক পণ্ডিতে কৰ্মযোগ স্বতন্ত্ৰভাৱে মোক্ষ লাভৰ মাৰ্গ নহয় বুলি মতপোষণ কৰে। তেওঁলোকৰ মতে, সন্যাস বা সাংখ্যই চৰম অৰ্থাৎ মুখ্যনিষ্ঠা আৰু কৰ্মযোগ হৈছে সন্যাসমাৰ্গৰ পূৰ্বস্তৰ। কিন্তু এই মতত আপত্তি দৰ্শাই তিলকে কৈছে যে কৰ্মযোগ সন্যাস বা সাংখ্যযোগৰ পূৰ্বস্তৰ হ'ব নোৱাৰে, কাৰণ কৰ্মৰ পৰা কেতিয়াও মুক্তি নাই। সন্যাসৰ দ্বাৰা মোক্ষলাভ সম্ভৱ যদিও কৰ্মযোগৰ দ্বাৰাও মোক্ষপ্ৰাপ্তি হয়। সেয়েহে গীতাই কৰ্মযোগক সন্যাসযোগৰ পূৰ্বস্তৰ বুলি কোৱা নাই।

তৃতীয় অধ্যায়ত এটা শ্লোকেৰে শ্ৰীকৃষ্ণই মোক্ষ লাভৰ দুই মাৰ্গ স্পষ্ট কৰি দেখুৱাইছে। শ্ৰীকৃষ্ণই কৈছে—

"লোকে আস্মিন দ্বিবিধা নিষ্ঠাপুৰা প্ৰোক্তন ময়া নয়।
জ্ঞান যোগেন সাংখ্যানাং কৰ্মযোগেন যোগিনাম্।।"

—হে নিষ্পাপ অৰ্জুন, মই ইয়াৰ আগতেই এই কথা দেখুৱাই আহিছো যে আত্মাক উপলব্ধি কৰিবলৈ চেষ্টা কৰাসকল দুই প্ৰকাৰৰ। কিছুমানে প্ৰাকৃতিক জগতৰ স্বৰূপ বিশ্লেষণ কৰি দাৰ্শনিক জ্ঞানৰ সহায়েৰে আত্মাক বুজিব খোজে আৰু আন কিছুমান ভক্তিসহকাৰে কৰা কামেৰে।

আকৌ ত্ৰয়োদশ অধ্যায়ত তেওঁ কৈছে—

"ধ্যানে নাত্মনি পশান্তি কেচিদাত্মচামাত্মনা।
অনোসাংখ্যেন যোগেন কৰ্ম যোগেন চাপৰে।।"

অৰ্থাৎ, কিছুমানে ধ্যানৰ বলেৰে পৰমাত্মাকে নিজেই নিজৰ ভিতৰত দেখা পায়, আন কিছুমানে জ্ঞানৰ অনুশীলনৰ দ্বাৰা দেখা পায়।

গতিকে দেখা গৈছে যে ওপৰৰ দুয়োটা শ্লোকে দুটা স্বতন্ত্ৰমাৰ্গ নিৰ্দেশ কৰিছে—কৰ্মযোগ আৰু কৰ্মসন্যাস বা সন্যাসযোগ। গীতাৰ কিছুসংখ্যক সাম্প্ৰদায়িক টীকাকাৰে কৰ্মযোগক যি গৌণ স্থান দিয়াৰ চেষ্টা কৰিছে, তিলকৰ মতে সি নিতান্তই সাম্প্ৰদায়িক আগ্ৰহৰ পৰিণাম। তিলকে কৈছে যে, সন্যাসমাৰ্গীয় টীকাসমূহেই এনে বিভ্ৰান্তিৰ সৃষ্টি কৰে আৰু টীকাকাৰ সকল সাম্প্ৰদায়িক আগ্ৰহৰ পৰা মুক্ত নহ'লে গীতাৰ প্ৰকৃত ৰহস্যৰ জ্ঞান লাভ কৰাটো সম্ভৱ নহয়। কৰ্মযোগ আৰু কৰ্মসন্যাস এই দুয়োটাই স্বতন্ত্ৰ ভাৱে



সমানেই মোক্ষপ্ৰদ যদিও তিলকে কৰ্মযোগ শ্ৰেষ্ঠ বুলি অভিহিত কৰিছে। কৰ্মযোগৰ শ্ৰেষ্ঠতা সম্পৰ্কে গীতাত বিভিন্ন শ্লোক পোৱা যায়। বিশেষকৈ দ্বিতীয় অধ্যায়ত ভগৱানে কৈছে—

"বুদ্ধিযুক্তো জহাতী হ উভে সুকৃত দুষ্কৃতে।
তস্মাদ যোগায় যুজ্যস্ব যোগঃ কৰ্মস কৌশলম।।"

অৰ্থাৎ, যিজন মানুহে কেৱল ভক্তিভৰা সেৱাৰ নিমিত্তে কামত প্ৰবৃত হয়, তেওঁ এই জন্মতে কৰ্মৰ সকলো ভাল-বেয়া ফলৰ পৰা নিষ্কৃতি পাব পাৰে। গতিকে যোগত প্ৰবৃত হ'বলৈ চেষ্টা কৰা। যোগেই হ'ল সকলো কাম কৰাৰ আচল কৌশল। এইদৰে গীতাৰ ঠায়ে ঠায়ে ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৰ্মযোগৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিছে।

১৮ অধ্যায়ৰ উপসংহাৰত কৰ্ম কেনে হোৱা উচিত সেইসম্পৰ্কে ভগৱানে পুনৰ্বাৰ কৈছে—

"এতান্যপি তু কৰ্মানি সংগং ত্যত্বা ফলানি চ।
কৰ্তব্যানীতি যে পাৰ্থ নিশ্চিতং মতমুক্তমম।।"

অৰ্থাৎ, একো আসক্তি নোহোৱাকৈ আৰু একো ফলৰ কামনা নকৰাকৈ এই সকলো কৰ্ম কৰিব লাগে। হে পাৰ্থ, কেৱল কৰ্তব্য কৰ্ম বুলিয়েই এই কৰ্মসমূহ কৰিব লাগে। এইটোৱেই মোৰ চূড়ান্ত অভিমত।

আকৌ কৈছে—

"তস্মাদসক্তঃ সততং কাৰ্য্যং কৰ্ম সমাৰে।
অসক্তো হ্যাৰেণ কৰ্ম পৰমাপ্নোতি পুৰুষঃ।।"

অৰ্থাৎ, 'গতিকে কৰ্মফলৰ প্ৰতি কোনো আসক্তি নৰখাকৈ কেৱল কৰ্তব্য বুলি ভাবি লৈ সততে কামবিলাক কৰি যোৱা। যিজনে আসক্তি নোহোৱাকৈ কামবিলাক কৰি যায় তেঁৱেই পৰমাৰ্থ লাভ কৰে।' দেখা গৈছে যে, ভগৱান শ্ৰীকৃষ্ণই আসক্তিহীন কৰ্মকহে প্ৰাধান্য দিছে আৰু ইয়াক গীতাত 'নিষ্কাম কৰ্ম' বুলি অভিহিত কৰা হৈছে।

ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যিসকলে কৰ্মত্যাগ কৰে বা বৰ্জন কৰে সেইসকলৰ মোক্ষপ্ৰাপ্তি সম্ভৱ নহয়। গীতাৰ অষ্টাদশ অধ্যায়ত ত্যাগৰ তিনিপ্ৰকাৰ ভেদৰ কথা কোৱা হৈছে —সাত্বিক ত্যাগ, ৰাজসিক ত্যাগ আৰু তামসিক ত্যাগ। তিলকৰ মতে দৃঢ় মনোবল নাথাকিলে যি কৰ্মত্যাগ কৰা হয়, সেইটো গীতাৰ মত অনুসাৰে তামস বা মিথ্যাচাৰ বুলি ক'ব লাগিব।

ভগৱানে কৈছে—

"নিয়তস্য তু সংন্যাসঃ কৰ্মনো নোপপদ্যতে।

মোহাতস্য পৰিত্যাগপ্তামমঃ পৰিকীৰ্তিত।।”

অৰ্থাৎ, বিহিত কৰ্তব্য কৰ্মসমূহ কেতিয়াও বৰ্জন কৰিব নালাগে। যদি কোনোবাই ভ্ৰমবশতঃ তেনে বিহিত কৰ্ম বৰ্জন কৰে, তেনে বৰ্জনক তামসিক ত্যাগ বোলা হয়।

তিলকে কৈছে যে, এনেপ্ৰকাৰৰ কৰ্মত্যাগ মানুহৰ কাৰণে কেতিয়াও শ্ৰেয় হ'ব নোৱাৰে। তেওঁ কৈছে যে এনে দুৰ্বল মন চিত্তশুদ্ধিৰ দ্বাৰা পূৰ্ণ কৰিবলৈ হ'লে নিষ্কাম বুদ্ধি বৃদ্ধি কৰিবলৈ যজ্ঞদান আদি গৃহস্থ আশ্ৰমৰ শাস্ত্ৰসন্মত কৰ্ম মানুহে কৰিবই লাগিব। চমুকৈ ক'বলৈ গ'লে তিলকে বৈদিক ধৰ্মৰ কৰ্ম-কাণ্ডত থকা চতুৰ্বৰ্ণক স্বীকাৰ কৰিছে।

যদি কোৱা হয় যে মন বশত থাকিলে শাস্ত্ৰত বিহিত কৰ্ম কৰিলে চিত্তশুদ্ধি নষ্ট হোৱাৰ কোনো সম্ভাৱনা নাই, কিন্তু মোক্ষ লাভৰ কাৰণে অনাৱশ্যক ব্যৰ্থ কৰ্ম কৰি দেহক অনাহকত কষ্ট দিয়াৰ মানে নাই, তেন্তে ক্লায়কেশ ভয়ত অৰ্থাৎ দেহৰ কষ্ট হ'ব— এই ক্ষুদ্ৰ আশংকাত কৃতকৰ্ম ত্যাগ ৰাজসিক। ত্যাগৰ কৰ্মফল এনে ৰাজস কৰ্মত্যাগত পোৱা নাযায়।

১৮ অধ্যায়ত ভগৱানে সিদ্ধান্ত কৰিছে যে নিঃসংগ বুদ্ধিৰে কেৱল কৰ্তব্য বুলি কৰ্ম কৰাই প্ৰকৃত সাত্ত্বিক কৰ্মত্যাগ।

“কায়মিত্যেৰ য়ৎকৰ্ম নিয়তং ক্ৰিয়তে অৰ্জুন।

সংগং ত্যত্ত্বা ফলং চৈৱ স ত্যাগঃ স্বাত্ত্বিকোমতঃ।।

অৰ্থাৎ, হে অৰ্জুন যেতিয়া কোনো এজনে আসক্তি বৰ্জন কৰি, সকলো কৰ্মৰ ফলৰ কামনা পৰিত্যাগ কৰি কেৱল নিজৰ কৰ্তব্যৰূপে বিহিত বুলিয়েই কোনো এটা কাম কৰে, তেতিয়া সেই কৰ্মৰ লগত জড়িত ত্যাগকে সাত্বিক ত্যাগ বুলি কোৱা হয়।

কৰ্ম মায়াজগতৰ হ'লেও কোনো অজ্ঞাত কাৰণত পৰমেশ্বৰেই সৃষ্টি কৰিছে। সেই কৰ্ম পৰমেশ্বৰ অধীন কাৰণে তাক পৰিহাৰ কৰা মানুহৰ সাধ্য নাই। গতিকে নিঃসন্দেহে ক'ব পাৰি যে, বুদ্ধিক নিঃসঙ্গ ৰাখি কেৱল কৰ্ম কৰিলে মোক্ষৰ বাধা নহয়। সেয়েহে ভগৱানে কৈছে যে এই জগতৰ মুহূৰ্তকালো কৰ্ম বাদ দি থাকিব নোৱাৰি। কাৰণ এক মুহূৰ্তৰ কাৰণেও মানুহ কৰ্মৰ পৰা মুক্ত নহয়। সূৰ্য্য, চন্দ্ৰ আদিয়েও নিৰন্তৰ কৰ্ম কৰিয়ে আছে।

আকৌ কিছুসংখ্যক পণ্ডিতে কয় যে সমস্ত কৰ্ম মায়াজগতৰ- গতিকে অনিত্য। সেইকাৰণে ব্ৰহ্মজগতৰ নিত্য আত্মাৰ তেনে কৰ্মত লিপ্ত হোৱা উচিত নহয়। কাৰণ পৰমব্ৰহ্ম যদি নিজেই মায়াৰ দ্বাৰা আবৃত হৈ থাকে, তেন্তে এনে মায়াৰ জগতত মানুহে কাম কৰাত কি আপত্তি থাকিব পাৰে? ব্ৰহ্মজগত আৰু মায়াজগত—সমস্ত জগতৰ যেনেকৈ এই দুইভাগ আছে, তেনেকৈ মানুহৰো আত্মা আৰু দেহ ইন্দ্ৰিয়াদি —এই



দুইভাগ আছে। আত্মা আৰু ব্ৰহ্মৰ সংযোগত আত্মা ব্ৰহ্মত বিলীন হৈ যায়; আৰু এই ব্ৰহ্ম আত্মা ঐক্যৰ জ্ঞানৰ দ্বাৰা বুদ্ধিক নিঃসংগ ৰাখি কেৱল মায়িক দেহ ইন্দ্ৰিয়ৰ দ্বাৰা মায়াজগতত ব্যৱহাৰ কৰিলে মোক্ষৰ কোনো প্ৰতিবন্ধক নহয়। এই দুই ভাগৰ মাজত আপোচ কৰিব পাৰিলে কোনো ভাগ উপেক্ষা বা বিচ্ছেদ কৰাৰ দোষ নাথাকে। ব্ৰহ্মজগত আৰু মায়াজগত পৰলোক আৰু ইহলোক এই দুই ভাগত কৰ্তব্য কৰাৰ ফলতে মানুহৰ শ্ৰেয় লাভ হয়। ঈশো উপনিষদত এই তত্বই প্ৰতিপাদিত হৈছে।

উপৰোক্ত আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে, গীতাৰ সাৰমৰ্ম হৈছে নিষ্কাম কৰ্ম। কিন্তু ইয়াত প্ৰশ্ন হয় যে এনে কৰ্ম কিয় কৰিব লাগে? তাৰ উত্তৰ পোৱা যায় তৃতীয় অধ্যায়ত। ভগৱানে কৈছে—

“কৰ্মনৈব হি সংসিদ্ধি মাস্থিতা জনকাদয়ঃ।

লোক সংগ্ৰহ সেবাপি সমপশ্যন কতৃমহসি।।”

অৰ্থাৎ, কৰ্তব্য কৰ্মসমূহৰ অনুষ্ঠানৰ দ্বাৰাই জনক আদি ৰজাসকলে পৰমসিদ্ধি লাভ কৰিছিল। গতিকে জনসাধাৰণৰ মংগলৰ কাৰণে হ'লেও তুমি তোমাৰ কৰ্ম কৰা উচিত।

গতিকে পৰাৰ্থে যিজনে কাম কৰে তেওঁৰেই সাধুসকলৰ মাজত শ্ৰেষ্ঠ। সমাজৰ ৰক্ষণৰ কাৰণে সেয়েহে শাস্ত্ৰই চতুৰ্বৰ্ণৰ সৃষ্টি কৰিছে। ব্ৰাহ্মণৰ জ্ঞান, ক্ষত্ৰিয়ৰ যুদ্ধ, বৈশ্যৰ কৃষি; গোৰক্ষা, ব্যৱসায়-বাণিজ্য আৰু শূদ্ৰৰ সেৱা—এই চাতুৰ্বৰ্ণৰ এটাও বিলুপ্তি হ'লে সমাজৰ বিনাশ হ'ব পাৰে। গীতাৰ মতে সামাজিক শৃংখলা ৰক্ষাৰ কাৰণে নিজৰ বৃত্তিগত কৰ্মসমূহ সম্পাদন কৰাটো প্ৰত্যেক শ্ৰেণীৰ মৌলিক কৰ্তব্য।

তিলকৰ মতে ভাগৱত গীতাত কৰ্মযোগৰ ওপৰতে গুৰুত্ব দিয়া হৈছে। কৰ্মযোগক গীতাৰ বীজতত্ব বুলিব পাৰি। নিষ্কাম কৰ্মৰ দ্বাৰাই মোক্ষ লাভ কৰি পৰমাত্মাৰ সান্নিধ্য লাভ কৰিব পাৰি। সংক্ষেপে ক'বলৈ গ'লে কৰ্মই জগত আৰু জগতেই কৰ্ম। ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—মোতকৈ শ্ৰেষ্ঠ আৰু একো নাই, সূতাত মণিবিলাক গাঁথি থোৱাৰ দৰে এই সমস্ত জগত মোতে গঁথা আছে। অৰ্থাৎ ভগৱান শ্ৰীকৃষ্ণৰ চৰণত মন প্ৰাণ সমৰ্পিত কৰি কৰাই কৰ্মই মোক্ষলাভৰ পথ প্ৰশস্ত কৰি তুলিব। সেয়েহে অন্তিম অৰ্থাৎ অষ্টাদশ অধ্যায়ৰ ৬৫ আৰু ৬৬ তম শ্লোকত পুনৰ ভগৱানে কৈছে—

“মন্মনা ভৱ মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।

মামেৱৈষ্যসি সত্যংতে প্ৰতিজনে প্ৰিয়োহসি মে।।

সৰ্ব্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।।”

অৰ্থাৎ, মোতে অৰ্পণ কৰি মোৰে ভক্ত হৈ মোৰ নিমিত্তেই যজন পূজন কৰা, প্ৰণামো মোকহে কৰা। আন সকলো ধৰ্ম (ইয়াত অন্য দেৱ-দেৱীৰ পূজা কৰাৰ কথা

বুজাইছে) ত্যাগ কৰি মোতে শৰণ গ্ৰহণ কৰা।

গতিকে ক'ব পাৰি যে গীতাই সমাজত সমন্বয়ৰূপী একেশ্বৰী তত্বৰ প্ৰকাশ কৰিছে। লোকমান্য বাল গংগাধৰ তিলকৰ মতে নিষ্কাম কৰ্মই গীতাৰ প্ৰাণকেন্দ্ৰ। তেওঁক আধুনিক ভাৰতীয় দৰ্শনৰ প্ৰকৃত কৰ্মযোগী বুলিব পাৰি।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) গীতাৰহস্য - বাল গংগাধৰ তিলক
২) শ্ৰীমদ্ভাগৱদ্‌গীতা - ৰাধানাথ ফুকন (অসমীয়া অনুবাদ)
৩) আধুনিক ভাৰতীয় দৰ্শন - জ্যোৎস্না ভট্টাচাৰ্য্য।